# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 22-02-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পৰহিলৈ অসমৰ চাহৰ ২০০ বছৰীয়া ঐতিহ্য উদযাপনৰ উদ্দেশ্যে হ'বলগীয়া ঝুমইৰ বিনন্দিনী শীৰ্ষক অনুষ্ঠান উপভোগ কৰাৰ বাবে গুৱাহাটীলৈ আহিব।

২। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয়, যে বহনক্ষম উন্নয়ন এতিয়া কোনো বিকল্প নহয়, বৰং এয়া হৈছে একমাত্ৰ উপায়।

৩। নতুন দিল্লীত আজি কৃষি বিজ্ঞান মেলা ২০২৫ৰ আয়োজন কৰা হৈছে।

৪। কৰ্মচাৰী ৰাজ্যিক বীমা আঁচনিৰ অধীনত বিগত বৰ্ষৰ ডিচেম্বৰত প্ৰায় ১৭ লাখ নতুন কৰ্মচাৰীক পঞ্জীয়নভুক্ত কৰা হৈছে। **আৰু**

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ কৰাচীত অনুষ্ঠিত গ্ৰুপ-বিৰ দিবা-নৈশ এখন খেলত কালি দক্ষিণ আফ্ৰিকাই আফগানিস্তানক ১০৭ ৰাণত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পৰহিলৈ অসমৰ চাহৰ ২০০ বছৰীয়া ঐতিহ্য উদযাপনৰ উদ্দেশ্যে হ'বলগীয়া ঝুমইৰ বিনন্দিনী শীৰ্ষক অনুষ্ঠান উপভোগ কৰাৰ বাবে গুৱাহাটীলৈ আহিব। সেইদিনাই তেওঁ দুখন জনগোষ্ঠীয় প্ৰদৰ্শনীতো ভাগ ল'ব। প্ৰধানমন্ত্ৰীয়ে ২৫ ফেব্ৰুৱাৰীত উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ মুকলি কৰিব। প্ৰধানমন্ত্ৰী আদৰাৰ বাবে অসম চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যখনৰ বিভিন্ন সাংস্কৃতিক দলসমূহে অসমৰ বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনেৰে প্ৰধানমন্ত্ৰীগৰাকীক লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত আদৰণি জনাব। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি বিমানবন্দৰত প্ৰস্তুতিৰ পৰ্যবেক্ষণ কৰাৰ লগতে যাৱতীয় নিৰ্দেশনাও দিয়ে।

ooooo

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয়, যে বহনক্ষম উন্নয়ন এতিয়া কোনো বিকল্প নহয়, বৰং এয়া হৈছে একমাত্ৰ উপায়। নতুন দিল্লীত কালি ২১ সংখ্যক আফ্ৰিকীয়-এছিয় গ্ৰাম্য উন্নয়ন সংস্থা সন্মিলনৰ উদ্বোধনী সত্ৰত ভাষণ দি শ্ৰীধনখড়ে এইদৰে কয়। তেওঁ কয়, যে গ্ৰাম্য খণ্ডৰ সহায়ৰ জৰিয়তেহে বহনক্ষম উন্নয়নৰ ভেঁটি স্থাপন কৰিব পাৰি। গোলকীয় দক্ষিণ অৰ্থাৎ অৰ্থনৈতিক আৰু ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত তুলনামূলকভাৱে পিছপৰা ৰাষ্ট্ৰসমূহক আন্তঃৰাষ্ট্ৰীয় মঞ্চলৈ লৈ যোৱাটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সুদূৰপ্ৰসাৰী দৃষ্টিভংগী আছিল বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মত প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে কৃত্ৰিম বুদ্ধিমত্তা, দা ইণ্টাৰনেট অৱ থিংগছ,

ব্লকচেইন আদিৰ দৰে হানিকাৰক প্ৰযুক্তিৰ উত্থানে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিলেও এই প্ৰযুক্তিসমূহে বহু সুযোগো মুকলি কৰিছে।

০০০০০

জি-২০

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে জি-২০য়ে ইয়াৰ নেতৃত্বৰ ধাৰা অব্যাহত ৰাখিবলৈ আন্তঃৰাষ্ট্ৰীয় প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত চলি থকা জি-২০ বিদেশ মন্ত্ৰীৰ বৈঠকত অংশগ্ৰহণ কৰি কালি ড০ জয়শংকৰে কয় যে এই প্ৰত্যাহ্বানসমূহৰ ভিতৰত খাদ্য, শক্তি, স্বাস্থ্য নিৰাপত্তা, ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি প্ৰতিষ্ঠা আৰু মহিলাৰ উন্নয়নৰ দিশসমূহ সামৰি লোৱা হৈছে। তেওঁ কয়, যে জি-২০য়ে সদায় প্ৰতিযোগিতাতকৈ সহযোগিতাৰ মনোভাৱক অগ্ৰাধিকাৰ দি আহিছে। আন্তঃৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰিৰ ক্ষেত্ৰত ভাৰতে জৰুৰীকালীন সঁহাৰি, পুনৰনিৰ্মাণ আদিৰ দৰে বহু সমৰ্থন আগবঢ়াই আহিছে বুলি ড০ জয়শংকৰে মত প্ৰকাশ কৰে।

০০০০০

নতুন দিল্লীত আজি কৃষি বিজ্ঞান মেলা ২০২৫ৰ আয়োজন কৰা হৈছে। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে এই মেলা উদ্বোধন কৰিব। তিনিদিনীয়াকৈ আয়োজন কৰা এই কৃষি মেলাৰ মূল বিষয়বস্তু হৈছে **উন্নত কৃষি-বিকশিত ভাৰত**। কৃষি বিজ্ঞান মেলাৰ মূল আকৰ্ষণ হৈছে ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠানে বিকশাই তোলা নতুন প্ৰযুক্তি আৰু নতুন প্ৰজাতিৰ প্ৰত্যক্ষ প্ৰদৰ্শন। তদুপৰি এই কৃষি মেলাত ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠানৰ বিভিন্ন সামগ্ৰী আৰু সেৱা তথা নতুন প্ৰযুক্তি, কৃষি বিজ্ঞান কেন্দ্ৰ, কৃষক উৎপাদন সংস্থা, উদ্যোগী আৰু ষ্টাৰ্টআপৰ প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে।

০০০০০

কৰ্মচাৰী ৰাজ্যিক বীমা আঁচনিৰ অধীনত ২০২৪ চনৰ ডিচেম্বৰত প্ৰায় ১৭ লাখ নতুন কৰ্মচাৰীক নামভৰ্তি কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা তথ্য অনুসৰি কৰ্মচাৰী ৰাজ্যিক বীমা আঁচনিৰ অস্থায়ী পে ৰোলৰ প্ৰকাশিত তথ্য অনুসৰি চলিত মাহত ২০,৩৬০টা নতুন প্ৰতিষ্ঠান এই আঁচনিৰ সামাজিক সুৰক্ষাৰ পৰিসৰৰ অধীনলৈ অনা হয় । ইয়াৰ ফলত অধিক শ্ৰমিকৰ সামাজিক সুৰক্ষা নিশ্চিত হয় । বিবৃতিটোত প্ৰকাশ কৰা অনুসৰি মুঠ ১৭ লাখ পঞ্জীয়নভূক্ত কৰ্মচাৰীৰ ভিতৰত প্ৰায় ৮ লাখ কৰ্মচাৰী ২৫ বছৰ বয়সৰ গোটৰ। প্ৰকাশিত তথ্যৰ লিংগভিত্তিক বিশ্লেষণৰ মতে প্ৰায় ৩ লাখ মহিলা আৰু মুঠ ৭৩ গৰাকী তৃতীয় লিংগৰ কৰ্মচাৰীয়ে চলিত মাহত এই আঁচনিত নাম পঞ্জীয়ন কৰিছে ।

00000

মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কয়, যে ইউক্ৰেইন আৰু ৰাছিয়াৰ মাজৰ যুদ্ধৰ অৱসান ঘটোৱাৰ উদ্দেশ্যে হ'বলগীয়া আলোচনাত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কি উপস্থিত থকাৰ আৱশ্যকতা নাই। ফক্স নিউজৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই বৈঠকত জেলেনস্কি উপস্থিত থকাটো গুৰুত্বপূৰ্ণ নহয়। ট্ৰাম্পে ৰাছিয়াই ইউক্ৰেইনক আক্ৰমণ কৰাৰ কথা স্বীকাৰ কৰে যদিও এই যুদ্ধৰ অন্ত পেলাব নোৱাৰাৰ বাবে পূৰ্বৰ আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেন আৰু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কিক দোষাৰোপ কৰে। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে বিচাৰিলে সমগ্ৰ ইউক্ৰেইনকে নিজৰ অধীনলৈ আনিব পাৰে বুলি ট্ৰাম্পে সোঁৱৰাই দিয়ে। ইপিনে ইউক্ৰেইনত থকা আমেৰিকাৰ ৰাষ্ট্ৰদূত কিথ কেল'গে জেলেনস্কিক এগৰাকী সাহসী নেতা বুলিহে মন্তব্য কৰিছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৯ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে  শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

00000

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ কৰাচীত অনুষ্ঠিত গ্ৰুপ-বিৰ দিবা-নৈশ এখন খেলত কালি দক্ষিণ আফ্ৰিকাই আফগানিস্তানক ১০৭ ৰাণত পৰাস্ত কৰে। আফগানিস্তানে ৩১৬ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত অভাৰৰ ৩৯টা বল বাকী থকা অৱস্থাতে আটাইকেইটা উইকেট হেৰুৱাই ২০৮ ৰাণহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ ৰহমত শ্বাহে ৯২টা বলত ৯০ ৰাণ সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ৩১৫ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ অপেনাৰ ৰিয়ান ৰিকেল্টনে শতক অৰ্জন কৰাৰ লগতে আন তিনিগৰাকী খেলুৱৈৰে অৰ্ধ শত ৰাণ কৰে। কাগিছ' ৰাবাডাই ৩টাকৈ উইকেট দখল কৰে। ৰিয়ান ৰিকেল্টনক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

00000

এফ আই এইচ প্ৰ' লীগ হকী প্ৰতিযোগিতাত যোৱা নিশা ভুৱনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত অনুষ্ঠিত খেলত ভাৰতৰ পুৰুষ দলে আয়াৰলেণ্ডক ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আয়াৰলেণ্ডৰ জেৰেমি ডানকানে ৮ মিনিটত দিয়া প্ৰথমটো গ'লেৰে শক্তিশালীভাৱে খেল আৰম্ভ কৰিছিল যদিও ভাৰতৰ মনদীপ সিঙে প্ৰথমটো গ'ল দি দলটোক সবল স্থিতিলৈ আনে। ভাৰতৰ হৈ জাৰমান প্ৰীত সিং আৰু সুখজিত সিঙে এটাকৈ গ'ল দিয়ে। দুয়োটা দল আজি একেখন ষ্টেডিয়ামতে আন এখন খেলত অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি ৫ খন খেলৰ ৯ পইণ্টেৰে তালিকাৰ পঞ্চম স্থানত আছে।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পূব ভাৰতৰ বিভিন্ন অংশত কাইলৈ পৰ্যন্ত ধুমুহা গাজনিৰে বৰষুণ হোৱাৰ আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে পশ্চিম বংগ, ঝাৰখণ্ড আৰু ওড়িশাৰ ঠাই বিশেষে আজি শিল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। ইপিনে হিমাচল প্ৰদেশ আৰু ছিকিমৰ কোনো কোনো অংশত পুৱা আৰু নিশাৰ ভাগত ঘন কুঁৱলী পৰাৰ আগলি বতৰা দিছে।

০০০০০

ইণ্ডিয়ান চুপাৰ লীগ, আই এছ এল ফুটবল প্ৰতিযোগিতাত বেংগালুৰু ফুটবল ক্লাবে নৰ্থ ইষ্ট ইউনাইটেডক ২-০ গ'লত পৰাস্ত কৰি পইন্ট তালিকাৰ চতুৰ্থ স্থানলৈ উন্নীত হৈছে । কালি শ্বিলঙৰ জৱাহৰলাল নেহেৰু ষ্টেডিয়ামত বেংগালুৰু এফ চিৰ ৰিয়ান উইলিয়ামছ এ তৃতীয় মিনিটত আলবাৰ্টো নোগুৱেৰাই ৮১ মিনিটত গ'ল দিয়ে। বেংগালুৰুৱে ২১ খন খেলত মুঠ ৩৪ পইন্ট লাভ কৰাৰ বিপৰীতে হাইলেণ্ডাৰছ এ মুঠ ৩২ পইন্টেৰে পঞ্চম স্থানত আছে । আজি পাঁচ বজাত নতুন দিল্লীত পঞ্জাৱ এফ চিয়ে ইষ্ট বেংগলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব আৰু সন্ধিয়া চাৰে সাত বজাত গোৱাত গোৱা ফুটবল ক্লাব কেৰালা ব্লাষ্টাৰছ এফ চিৰ মুখামুখি হ'ব।

০০০০০

সমাপ্ত